



## 'বাণিজ্য'ৰ শীৰ্ষ স্থানত দুই ছাত্ৰী

# স্থান পাম বুলি নিশ্চিত আছিলোঁ ঃ বৰ্ষা

# কথা ক'বলৈ আজি ভাষা নাই ঃ সুকন্যা

**আৰম্ভণিৰ** পৰাই সকলো বিষয় খৰচি মাৰি পঢ়িবলৈ চেষ্টা কৰিছিলোঁ। কিবা যদি মনত শংকা থাকে কলেজৰ ছাৰ-বাইদেউসকলক সুধি দূৰ কৰিছিলোঁ। স্থান পাম বুলি নিশ্চিত আছিলোঁ। কিন্তু ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান পাম বুলি ভবা নাছিলোঁ। পঢ়া-শুনাৰ ক্ষেত্ৰত মোৰ কোনোধৰণৰ নিৰ্দিষ্ট ৰুটিন নাছিল। মুখস্থ কৰাতকৈ ১৩ পৃষ্ঠাত

## স্থান পাম বুলি নিশ্চিত আছিলোঁ ঃ বৰ্ষা

বিষয় এটা বুজিবলৈ অধিক চেষ্টা কৰিছিলোঁ। মোৰ বিশ্বাস আছিল মুখস্থ বিদ্যাই সাময়িকভাৱে সফলতা দিব পাৰে যদিও বিষয়টো ভালদৰে এবাৰ বুজি ল'লে জীৱনত কেতিয়াও তাক পাহৰা নাযায়। মোৰ অনুজসকলকো এইটো কথাই মই ক'ব বিচাৰোঁ যে বিষয় যিয়েই নহওক, আৰম্ভণিৰে পৰা খৰচি মাৰি পঢ়িব লাগে। ক'ভিড মহামাৰীৰ বাবে আমাৰ দশম শ্ৰেণীৰ পৰীক্ষা হোৱা নাছিল। বেয়াও লাগিছিল। কিন্তু এইবাৰ ফলাফল আশা কৰা ধৰণে পোৱাৰ পাছত মনটো এতিয়াহে মুকলি লাগিছে। বাণিজ্য শাখাত মেজৰসহ কে চি দাস কমাৰ্চ মহাবিদ্যালয়তে বি কম পঢ়াৰ ইচ্ছা আছে। একাউনটেন্সী মোৰ প্ৰিয় বিষয়। ব্যৱহাৰিক কথা বহুত আছে ইয়াত। মই ব্যৱহাৰিক বিষয় অধ্যয়নৰ প্ৰতি বহু আগ্ৰহী। ভৱিষ্যতে চাৰ্টাৰ্ড একাউনটেণ্ট হিচাপে নিজক প্ৰতিষ্ঠা কৰাৰ সপোন পুহি ৰাখিছোঁ। মোৰ বিশ্বাস মোৰ এই সপোন পূৰণ হ'ব। পাঠ্যপুথি অধ্যয়নৰ লগতে সামাজিক মাধ্যমো ভালেখিনি ব্যৱহাৰ কৰিছিলোঁ। বহু ল'ৰা-ছোৱালীয়ে সামাজিক মাধ্যমত দিনে-নিশাই লাগি থাকি সময় অপচয় কৰে। মই ভাবোঁ সামাজিক মাধ্যমত বহু ভাল দিশ আছে। কিন্তু এটা নিৰ্দিষ্ট সীমা নীতিৰে ইয়াক ব্যৱহাৰ কৰাটো উচিত। ভালখিনি সংগ্ৰহ কৰি বেয়া দিশবোৰৰ পৰা আঁতৰি থাকিব লাগে। পঢ়াৰ বহু সমল মই ইউটিউবৰ পৰা সংগ্ৰহ কৰিছিলোঁ। এই সমলে মোক বিষয়বস্তু বুজাৰ ক্ষেত্ৰত ভালেখিনি সহায় কৰিছে। অৱশ্যে পৰীক্ষাৰ প্ৰায় দুমাহ আগৰ পৰা সামাজিক মাধ্যম ব্যৱহাৰ কৰাটো মই বাদ দিছিলোঁ। আজি মোৰ সফলতাৰ বাবে মই মোৰ পিতৃ-মাতৃ, পৰিয়াল আৰু আমাৰ কলেজৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ পৰিয়ালে যদি মোক অধ্যয়নৰ ক্ষেত্ৰত সহযোগ নকৰিলেহেঁতেন তেন্তে আজি এই সাফল্য মই নাপালোঁহেঁতেন।